# প্ৰেছ বিজ্ঞপ্তি

অবিভক্ত শোণিতপুৰ জিলাৰ অন্তৰ্গত মাধ্যমিক স্তৰৰ অপ্ৰাদেশীকৃত (**Venture**) বিদ্যালয়সমূহত কৰ্মৰত তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ সেৱা প্ৰাদেশীকিকৰণ কৰিবলৈ অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ অধিসূচনা নং- এ এচ ই ৬৬০/২০১৭/৪২ দিনাংক ইং- ০৮/১১/২০১৮ মৰ্মে শোণিতপুৰ জিলা নিৰিক্ষণ সমিতিৰ এখন সভা যোৱা ইং- ০৬/০১/২০২০ তাৰিখে সমিতিৰ সভাপতি তথা শোণিতপুৰ জিলাৰ উপায়ুক্ত মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত হয়। এই জিলা নিৰিক্ষণ সমিতিয়ে বিদ্যালয়সমূহে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ অনুসৰি দাখিল কৰা সকলো তথ্য সঠিক ভাৱে নিৰিক্ষণ কৰি চতুৰ্থশ্ৰেণীৰ ২৯ জন আৰু তৃতীয় শ্ৰেণীৰ ২৬ জন অপ্ৰাদেশীকৃত কৰ্মচাৰীৰ সেৱা প্ৰাদেশীকিকৰণৰ বাবে যোগ্য বুলি বিবেচনা কৰি এই কৰ্মচাৰীসকলৰ তালিকা www.sonitpur.gov.in ত Upload কৰা হৈছে।

এই ক্ষেত্ৰত কোনোলোকে অতিৰিক্ত ভাৱে জানিব বিচাৰিলে শোণিতপুৰ জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ৰ লগত ইং-১১/০১/২০২০ তাৰিখৰ ভিতৰত যোগাযোগ কৰিব পাৰে।

স্বা/-
বিদ্যালয় সমূহৰ পৰিদৰ্শক
শোণিতপুৰ জিলা সংমণ্ডল,
তেজপুৰ।